**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2025 **Time :** 1340 Hrs.

# Assamese Midday Bulletin
## Headlines

১। প্ৰস্তাৱিত সমষ্টি পুনৰনিৰ্ধাৰণ বিষয়ক লৈ ডি এম কেকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

২। কেন্দ্ৰীয় চৰকাৰ কৃষকসকলৰ কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু এই ক্ষেত্ৰত চৰকাৰে ২০১৪ চনৰ পৰাই বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ভাগীৰথ চৌধুৰীয়ে প্ৰকাশ কৰিছে।

৩। ছত্তিশগড়ৰ বিজাপুৰ জিলাত আজি নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত দুজন মাওবাদী নিহত হয়।

৪। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আয়ে এইবাৰৰ চেম্পিয়নছ ট্ৰফীৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় দললৈ ৫৮ কোটি টকাৰ নগদ পুৰস্কাৰ ঘোষণা কৰিছে।

**আৰু**

৫। অসমৰ প্ৰতিভাসম্পন্ন খেলুৱৈ ৰিয়ান পৰাগে আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছ্ দলৰ প্ৰথম তিনিখন খেলত নেতৃত্ব বহন কৰিব।

০০০০০০০

লোকসভা আৰু বিধানসভাৰ প্ৰস্তাৱিত সমষ্টি পুনৰনিৰ্ধাৰণ বিষয়ক লৈ ডি এম কেকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰখা হয়। লোকসভাত দিনৰ ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত ডি এম কেৰ সাংসদসকলক প্ৰস্তাৱিত সমষ্টি পুনৰনিৰ্ধাৰণৰ প্ৰতিবাদৰ সময়ত টি চাৰ্ট পৰিধান কৰি অহা পৰিলক্ষিত হয়। সদনৰ সভাপতিয়ে প্ৰতিবাদৰত সদস্যসকলে এনে পোছাক পৰিধান কৰাৰ বিৰোধিতা কৰে। ডি এম কে আৰু কংগ্ৰেছৰ একাংশ সাংসদে পুনৰ হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাত সদনৰ কাৰ্যকাল দিনৰ ২ বজালৈ সভাপতিয়ে স্থগিত ঘোষণা কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত ডি এম কেৰ প্ৰতিবাদৰত সদস্যসকলে টি-চাৰ্ট পৰিধান কৰাৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰি অধ্যক্ষ ওম বিৰলাই বিৰোধিতা কৰি সদনৰ কাৰ্যকাল দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে। শ্ৰীবিৰলাই কয় যে সদনৰ কাৰ্যক্ৰমণিকা ইয়াৰ নিয়ম অনুসৰি পৰিচালিত হ'ব। একাংশ সদস্যই সদনৰ মৰ্যাদা লাঘৱ কৰিছে বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয় যে তেওঁ সদনত এনে নিয়মবিৰোধী কাৰ্যক সমৰ্থন নকৰে। ইয়াৰ পাছত তেওঁ টি-চাৰ্ট পৰিহিত সাংসদসকলক সদন পৰিত্যাগ কৰিবলৈ আহ্বান জনায় যদিও ডি এম কে আৰু আন বিৰোধী দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে।

ৰাজ্যসভাতো আজি একেটা বিষয় লৈ সদন তিনিবাৰ স্থগিত ৰাখিবলগীয়া হয়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰ কৃষকসকলৰ কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু এই ক্ষেত্ৰত চৰকাৰে ২০১৪ চনৰ পৰাই বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। কৃষি আৰু কৃষক কল্যাণ বিভাগৰ ৰাজ্যমন্ত্ৰী ভাগীৰথ চৌধুৰীয়ে আজি সদনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি ৰূপায়ণৰ জৰিয়তে শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি কৰিছে। পাঞ্জাব চৰকাৰে শম্ভু আৰু খানৌৰী সীমান্তৰ প্ৰতিবাদস্থলীৰ পৰা কৃষকসকলক স্থানান্তৰ কৰাৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ শাসনত থকা আম আদমী পাৰ্টী আৰু কংগ্ৰেছক কঠোৰ ভাষাৰে সমালোচনা কৰে। চৰকাৰে প্ৰতিবাদৰত কৃষকসকলক সেই ঠাইৰ পৰা আঁতৰাই পঠাইছে বুলি বিৰোধী পক্ষই কৰা দাবী মন্ত্ৰীগৰাকীয়ে অস্বীকাৰ কৰে। ইয়াৰ পূৰ্বে কংগ্ৰেছৰ সাংসদসকলে সদনত কৃষকসকলৰ ন্যায়ৰ বাবে দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে। লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধীয়েও এই প্ৰতিবাদত অংশ লয়। ইপিনে, আম আদমী পাৰ্টীৰ সাংসদ সন্দীপ পাঠকে কৃষকসকলৰ সমস্যাসমূহ কেন্দ্ৰীয় চৰকাৰেহে সমাধান কৰিব পাৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০০

ছত্তিশগড়ৰ বিজাপুৰ জিলাত আজি নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত দুজন মাওবাদী নিহত হয়। এই ঘটনাটোত জিলা সংৰক্ষিত বাহিনী, ডি আৰ জিৰ এজন জোৱানো শ্বহীদ হয়। এই সন্দৰ্ভত লাভ কৰা তথ্য অনুসৰি নক্সাল বিৰোধী অভিযান চলোৱাৰ বাবে নিৰাপত্তা বাহিনীৰ এটা যুটীয়া দল বিজাপুৰ আৰু দান্তেৱাড়া জিলাৰ সীমান্তৱৰ্ত্তী বনাঞ্চলত উপস্থিত হোৱাৰ সময়তে মাওবাদীৰ দলটো তেওঁলোকৰ সৈতে সংঘৰ্ষত লিপ্ত হয়।

নিৰাপত্তা বাহিনীয়ে এই সংঘৰ্ষত নিহত দুয়োজন নক্সালবাদীৰ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাস্থলীৰ পৰা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও জব্দ কৰা হয়। এই বাতৰি যুগুতোৱাৰ পৰলৈ অঞ্চলটোত তালাচী অভিযান চলি আছে বুলি আকাশবাণীৰ ছত্তিশগড়ৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত আনুষ্ঠিত চি আই আই ইণ্ডিয়া-এল এ চিৰ অভিৱৰ্তনত ভাষণ দিয়ে। গোলকীয় অৰ্থনীতিৰ বিভিন্ন প্ৰেক্ষাপটৰ বিষয়ে ব্যাখ্যা কৰি তেওঁ পাৰ হৈ যোৱা সময়ছোৱাত দেখা দিয়া চাপ আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ প্ৰতি আঙুলিয়াই দি কয় যে সাম্প্ৰতিক পৃথিৱীখন এটা জটিল তথা অনিশ্চিত অৱস্থাৰ মাজেৰে অগ্ৰসৰ হৈছে। কোভিড-১৯ মহামাৰী আৰু ইয়াৰ সুদূৰপ্ৰসাৰী বিৰূপ প্ৰভাৱৰ ফলত উন্নয়নশীল দেশসমূহ বেয়া ধৰণে ক্ষতিগ্ৰস্ত হোৱাৰ বিষয়ে উল্লেখ কৰি ড০ জয়শংকৰে কয় যে ইয়াৰ ফলত বহনক্ষম উন্নয়নৰ লক্ষ্যও ওপৰতো বিৰূপ প্ৰভাৱ পৰিছে।

০০০০০০০

উত্তৰাখণ্ডৰ চলিত বৰ্ষৰ চাৰ ধাম যাত্ৰাৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া সম্প্ৰতি আৰম্ভ হৈছে। এইবেলি এই যাত্ৰাৰ বাবে আধাৰৰ জৰিয়তে পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। সেই অনুসৰি আগ্ৰহী ভক্তসকলে নিজৰ নিজৰ নাম পঞ্জীয়নৰ বাবে আধাৰ কাৰ্ডৰ বিস্তৃত তথ্য দাখিল কৰিব লাগিব।

চাৰ ধাম যাত্ৰাৰ সময়ত তীৰ্থযাত্ৰীসকল কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাটো নিশ্চিত কৰাৰ উদ্দেশ্যে ৬০ শতাংশ পঞ্জীয়ন অনলাইন ব্যৱস্থাৰ জৰিয়তে আৰু বাকী ৪০ শতাংশ অফলাইন ব্যৱস্থাৰে সম্পন্ন কৰা হ'ব। এই প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰি তোলাৰ উদ্দেশ্যে হৰিদ্বাৰ আৰু হৃষিকেশকে ধৰি যাত্ৰাপথৰ বিভিন্ন ঠাইত পঞ্জীয়ন কেন্দ্ৰৰ সংখ্যাও বৃদ্ধি কৰা হ'ব। আগ্ৰহী তীৰ্থযাত্ৰীসকলে

registrationandtouristcare.uk.gov.in ৱেবছাইটৰ জৰিয়তে অনলাইন ব্যৱস্থাৰে নাম পঞ্জীয়ন কৰিব পাৰিব। তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পৰ্যটন বিভাগে এইবেলি এই যাত্ৰাৰ ৪০ দিন পূৰ্বেই অনলাইন পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে ডি এম কে দলে তামিলনাডুত নিজৰ বিফলতা লুকুৱাবৰ বাবে সংসদত প্ৰস্তাৱিত সমষ্টি পুনৰনিৰ্ধাৰণৰ বিষয়টো উত্থাপন কৰিছে। সদনৰ বাহিৰত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে দক্ষিণ ভাৰতত কোনো অন্যায় কাৰ্যৰ সমৰ্থন নকৰে। লোকপিয়লৰ পাছতহে সমষ্টি পুনৰনিৰ্ধাৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি শ্ৰীযোশীয়ে প্ৰকাশ কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে আজি ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যানত আয়োজিত উদ্যম উৎসৱত অংশগ্ৰহণ কৰিব। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। চলিত মাহৰ ৩০ তাৰিখে সামৰণি পৰিবলগীয়া এই উৎসৱৰ জৰিয়তে দেশৰ ঐতিহ্যক নাগৰিকৰ ওচৰলৈ লৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰ আৰু সৰলীকৰণৰ চেষ্টা কৰা হৈছে। অনুষ্ঠানত হস্তশিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন কৃষিভিত্তিক সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ উপৰি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ প্ৰযুক্তি, মহিলা উদ্যোগী, পি এম বিশ্বকৰ্মা আৰু জনজাতীয় উদ্যোগী, খাদী আৰু গ্ৰাম্য উদ্যোগৰ সামগ্ৰী এই অনুষ্ঠানত প্ৰদৰ্শন কৰা হ'ব। সামগ্ৰীৰ প্ৰদৰ্শনৰ উপৰি থলুৱা গীত-মাত, নাটক, ৰাজস্থানী পুতলা প্ৰস্তুতকৰণ আদি কাৰ্যসূচী এই অনুষ্ঠানত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিত যোগ্য প্ৰাৰ্থীক অন্তৰ্ভুক্ত কৰি তেওঁলোকৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে দ্বিতীয় বাৰৰ বাবে অ'পেন হাউছৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে এটা বিবৃতিত এই কথা প্ৰকাশ কৰি কয় যে আবেদন প্ৰক্ৰিয়াৰ সৈতে জড়িত প্ৰাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দি তেওঁলোকক সহায় কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰাৰ্থীসকলে যাতে নিৰ্দিষ্ট সময়ত তেওঁলোকৰ প্ৰশ্নসমূহৰ উত্তৰ লাভ কৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰালয়ে প্ৰতি সপ্তাহতে এনে অ'পেন হাউছ আয়োজন কৰাৰ পৰিকল্পনা কৰিছে।

০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আয়ে এইবাৰৰ চেম্পিয়নছ ট্ৰফীৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় দললৈ ৫৮ কোটি টকাৰ নগদ পুৰস্কাৰ ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে খেলুৱৈ, প্ৰশিক্ষকক ধৰি পুৰুষ দলৰ খেলুৱৈ নিৰ্বাচন সমিতিৰ সদস্য তথা আন সহযোগীসকলক এনেদৰে সন্মানিত কৰা হৈছে বুলি বি চি চি আয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা ৯ মাৰ্চত ডুমাইত অনুষ্ঠিত ফাইনেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। বি চি চি আইৰ সভাপতি ৰ'জাৰ বিন্নীয়ে এই নগদ পুৰস্কাৰ সন্দৰ্ভত কয় যে একেৰাহে এটাৰ পাছত আনটো আই চি চি চেম্পিয়নৰ খিতাপ দখল কৰাটো এটা বিশেষ অনুভৱ আৰু এই পুৰস্কাৰৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতীয় দলৰ একাগ্ৰতা আৰু পাৰদৰ্শিতাক সন্মান জনোৱা হৈছে। বি চি চি

আইৰ উপ-সভাপতি ৰাজীৱ শুক্লাইও দলটোক প্ৰশংসা কৰি কয় যে ভাৰতীয় ক্ৰিকেট দল দক্ষতা আৰু জয়ৰ মানসিকতাৰ শক্তিশালী ভেঁটিৰ আধাৰত গঠন হৈছে।

০০০০০০০

অসমৰ প্ৰতিভাসম্পন্ন খেলুৱৈ ৰিয়ান পৰাগে আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছ্ দলৰ প্ৰথম তিনিখন খেলত নেতৃত্ব বহন কৰিব। দলটোৱে আজি আনুষ্ঠানিকভাৱে এই কথা ঘোষণা কৰে। এই অনুসৰি ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অহা ২৩ মাৰ্চত, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ২৬ মাৰ্চত আৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৩০ মাৰ্চত হ'বলগীয়া খেলকেইখনত ৰিয়ানে অধিনায়কৰ দায়িত্ব পালন কৰিব। পৰৱৰ্ত্তী পৰ্যায়ত সম্পূৰ্ণৰূপে সুস্থ হৈ উঠাৰ পাছত সঞ্জু ছেমচনে দলটোৰ নেতৃত্ব বহন কৰিব বুলিও ঘোষণা কৰা হৈছে।

একেদৰে, মম্বাই ইণ্ডিয়ানছ দলেও প্ৰতিযোগিতাৰ প্ৰথম পৰ্যায়ৰ বাবে এগৰাকী নতুন অধিনায়কৰ নাম ঘোষণা কৰিছে। অহা ২৩ মাৰ্চত চিৰবৈৰী চেন্নাই ছুপাৰ কিংছ দলৰ বিৰুদ্ধে হ'বলগীয়া খেলখনত সূৰ্য কুমাৰ যাদৱে দলটোৰ নেতৃত্ব বহন কৰিব। উল্লেখযোগ্য যে লেহেমীয়া অভাৰৰ বাবে হাৰ্দিক পাণ্ডিয়া এখন খেলৰ ক্ষেত্ৰত নিষেধাজ্ঞাৰ সন্মুখীন হোৱাৰ পৰিপ্ৰেক্ষিতত খেলুৱৈগৰাকীয়ে এই খেলখনত অংশগ্ৰহণ কৰিব নোৱাৰিব। তদুপৰি দলটোৰ আন এগৰাকী খেলুৱৈ যশপ্ৰীত বুমৰাও আঘাতৰ বাবে খেলৰ পৰা আঁতৰি থাকিবলগীয়া হৈছে।

উল্লেখযোগ্য যে, আই পি এলৰ অষ্টাদশ সংস্কৰণৰ প্ৰতিযোগিতা অহা ২২ মাৰ্চত আৰম্ভ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

নতুন দিল্লীৰ ইণ্ডিৰা গান্ধী ষ্টেডিয়ামত আজি বিয়লি খেলো ইণ্ডিয়া পেৰা গেমছৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হ'ব। প্ৰচাৰ ভাৰতীৰ স্পোৰ্টছ ইউটিউব চেনেলত এই উদ্বোধনী অনুষ্ঠান পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। এইবাৰৰ খেলো ইণ্ডিয়া পেৰা গেমছত এহেজাৰ ৩০০ৰো অধিক এথলীটে মুঠ ছবিধ ক্ৰীড়াত অংশ ল'ব।

০০০০০০০

**সমাপ্ত**